# সজ কামৰ সৰু বৰ নাই

মই বহুতদিন ধৰি এটা কথাৰ বাবে অত্যন্ত হতাশ বোধ কৰিছিলো। জীৱনটোত বহুত ভাল কাম কৰিম বুলি আশা কৰিছিলো। ছাত্ৰাৱস্থাত আন বহুতৰ দৰে ময়ো কিছুমান বৈপ্লৱিক চিন্তা কৰিছিলো। ভাবিছিলো নিজেও কিবা এটা হোৱাৰ লগতে দেশৰ আৰু দহৰ কাৰণেও কিছু কাম কৰিম। সেয়ে আজি কিছুদিনৰ পৰা অনুভৱ কৰিবলৈ ধৰিছো যে জীৱনটো ক্ৰমাৎ শেষ হৈ আহিছে কিন্তু কোনো উল্লেখযোগ্য কাম কৰা নহ'ল। কেতিয়াবা ভাৱ হয় মোৰ যদি টাটা, বিৰলা, আমবানিৰ দৰে ধন থাকিলহেতেন তেনেহলে কিছু কাম হয়তো কৰিব পাৰিলোহেতেন।

মই যে কেতিয়াও একো ভাল কাম কৰা নাই সেইটো নহয় – সাধ্যানুসৰি দুই এটা ভাল কাম কৰিছো। উদাহৰণ স্বৰূপে আজি কিছু বছৰৰ পৰা আমাৰ মাৰ জন্মদিনৰ দিনা কোনোবা এজনী দুখীয়া কিন্তু পঢ়াত আগ্ৰহী ছোৱালীক পঢ়াশুনাত সহায় হওক বুলি কিছু আৰ্থিক সাহাৰ্য্য দি আহিছো। যোৱা বছৰ মৃত্যু হোৱা মাৰ মৃত্যুদিৱসৰ দিনাও তাকেই কৰিবলৈ সিদ্ধান্ত লৈছো। কিন্তু মোৰ এই কাম এচৰু শাকত এটা জালুকৰ দৰে বা হিন্দীভাষীসকলে কোৱাৰ দৰে উটৰ মুখত জিৰাৰ দৰে কথা।

কিন্তু আজি প্ৰায় তিনিবছৰমানৰ আগতে এখন বোলছবি চাই এটা কথা উপলব্ধি কৰিলো যে সজ কামৰ সুফল সদায়েই পোৱা যায় সেই কাম যিমানেই সৰু নহওক লাগে। অৱশ্যে সজ কাম কৰা ব্যক্তিজনৰ নিজৰ একো লাভ নহবও পাৰে কিন্তু কাৰোবাৰ নহয় কাৰোবাৰ লাভ হ'বই। কোনোবাই ঘৰ সজাই নানান ফলমূলেৰে ভৰা বাৰী পাতি নিজে সেই ফলমূল খাবলৈ নাপাবও পাৰে। কিন্তু পিছৰ প্ৰজন্মৰ মানুহে ভোগ কৰিবলৈ পাব।

কেতিয়াবা এনেকুৱাও হয় যে কোনোবাই এটা ভাল কাম কৰে আৰু বহুতদিনৰ মূৰত আন কোনোবাই কৰবাত তাৰ ফল লাভ কৰে। মোৰ বাইদেউ এগৰাকীয়ে কৰা এটা ভাল কামৰ বাবে মই ইয়াত কেনেদৰে লাভান্বিত হৈছিলো সেই বিষয়ে লিখো। মামণি বাইদেউ হৈছে মোৰ দেউতাৰ মোমায়েকৰ জীয়েক বায়েকৰ ছোৱালী। তেওঁ হৈছে ভাষাবিজ্ঞানী সাহিত্যাচাৰ্য্য ড. গোলোকচন্দ্ৰ গোস্বামীৰ সুযোগ্যা পত্নী। তেওঁ নিজেও সুলেখিকা আৰু তেওঁৰ কেইবাখনো গ্ৰন্থ প্ৰকাশ হৈছে। আমি গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থাকোতে তেখেতসকল কেম্পাছতে থকাৰ বাবে মই প্ৰায়েই তালৈ গৈছিলো আৰু মামণি বাইদেউৰ আতিথ্য উপভোগ কৰিছিলো। মই ইয়ালৈ অহাৰ কিছুদিনৰ পিছতে Central Institute of Indian Languages (CIIL) ৰ পৰা এটা

ফেল'শিপ পাই তাতে Ph.D. ৰ বাবে গৱেষণা কৰিবলৈ ল'লো। মোৰ গাইড ঠিক হ'ল CIIL ৰ সঞ্চালক ড. দেবীপ্রসন্ন পট্টনায়ক। তেখেতে অসমীয়া বুলি গম পোৱাৰ লগে লগে মই প্রফেচৰ গোলোক গোস্বামীক চিনি পাওলে সুধিলে। তেখেতৰ লগত মোৰ সম্পৰ্কটো বুজাই কোৱাৰ লগে লগে অতি উৎসাহেৰে মামণি বাইদেউৰ প্ৰশংসা কৰিবলৈ ধৰিলে। তেখেতে ক'লে যে পুণেৰ ডেক্কান কলেজত পঢ়ি থকাৰ সময়ত গোলোক ভিনীহিয়েও সেই কলেজতে চাকৰী কৰি আছিল। এবাৰ পট্টনায়কৰ কিবা অসুখ হৈছিল আৰু হোষ্টেলৰ ভাত খাবলৈ অসুবিধা হোৱাত মামণি বাইদেৱে নিজে ৰান্ধি বাঢ়ি খুৱাই তেখতৰ আদৰ যত্ন লৈছিল। তেখেত যে মামণি বাইদেউৰ ওচৰত সেই কথাটোৰ বাবে চিৰকৃতজ্ঞ সেই কথা বুজিব পাৰিছিলো। পৰবৰ্তী কালতো তেখেতে সেই কথা অতি কমেও ১০/১২ বাৰ মোৰ আগত উল্লেখ কৰিছিল। কেইটামান সমস্যাৰ বাবে তেখেতৰ অধীনত মোৰ Ph.D. কৰা নহ'ল যদিও তেখেতৰ হেচাতহে মোৰ অৱশেষত Ph.D. হ'লগৈ। অৱসৰৰ পিছত তেখেতসকল ভূৱনেশ্বৰলৈ গুছি গ'ল। ইয়াত থকা কালত তেখেতৰ লগতে তেখেতৰ পৰিবাৰৰো মৰম, চেনেহ আৰু শুভেচ্ছা সদায়েই মই লাভ কৰিছিলো। তেখেতসকলৰ ঘৰত হোৱা প্রতিটো অনুষ্ঠানলৈ আমি নিমন্ত্রিত হৈছিলো। মোৰ সৰুবৰ বিভিন্ন সমস্যা সমাধান কৰাত তেখেতে সদায় সহায় কৰিছিল। মই সদায় অনুভৱ কৰিছিলো যে তেখেতৰ মামণি বাইদেউৰ প্ৰতি এটা ঋণবোধ আছে। মই এই কথাও ভালদৰে বুজি পাইছিলো যে আৰম্ভনিতে তেখেতৰ ইমান মনোযোগ পাইছিলো মামণি বাইদেউৰ ভনীয়েক হিচাবে আৰু পিছত ভাল সম্পৰ্ক গঢ়ি উঠিছিল সেই ভিত্তিতে। ভাবিলে আচৰিত লাগে গুৱাহাটীৰ মামণি বাইদেৱে ভুৱনেশ্বৰৰ পট্টনায়কক পুণেত পৰিচৰ্য্যা কৰিলে আৰু তাৰ ফল মাইচুৰত লাভ কৰিলো মই।

প্ৰসংগক্ৰমে আৰু এটা অভিজ্ঞতাৰ কথা উল্লেখ কৰো। আজি প্ৰায় ৫ বছৰমানৰ আগতে কেৰালাৰ পৰা মাইচুৰলৈ ঘুৰি আহিবলৈ বুলি কাছাৰগোদত সন্ধ্যা কান্নুৰ য়শৱন্তপুৰ এক্‌ছ্‌প্রেছত উঠিছিলো। মাংগালোৰত এহাল দম্পত্তি ভালেমান বয়বস্তুৰে আমাৰ ডবাটোত উঠিল। তেখেতসকলক বিদায় দিবলৈ কেইবাজনো মানুহ আহিছিল। তাত বহি থকা সময়খিনিত আৰু কিছুমান মানুহে মাত লগাই গ'লহি। মই ধৰিব পাৰিলো যে তেখেত ৰে'লবিভাগৰ এজন বিষয়া আৰু বদলি হৈ বেলেগ ঠাইলৈ যাবলৈ বুলি ট্ৰেইনত উঠিছে। তেখেতক বিদায় দিবলৈ অহা মানুহবোৰ যোৱাৰ পিছত আমাৰ মাজত কথাবতৰা আৰম্ভ হ'ল। তেখেত এজন মালায়ালী মানুহ বুলি জানিব পাৰি আৰু আগতে কেৰালাতো চাকৰী কৰিছিল বুলি গম পাই মই সুধিলো তেখেতে জ্যোতিদেৱ গোস্বামীক চিনি পায় নেকি। সুলেখক জ্যোতিদেৱ গোস্বামী মোৰ সৰু মামীৰ ভায়েক। তেখেত ৰে'লৱে বিভাগৰ উচ্চপদস্থ বিষয়া আছিল। মই মানুহজনক ক'লো যে পেৰুমন দলঙৰ ওপৰত হোৱা সেই ভয়ানক দুৰ্ঘটনাৰ সময়ত তেখেতৰ প'ষ্টিং কেৰালাতে আছিল আৰু সেই

দুৰ্ঘটনাৰ বিষয়ে অসমৰ কাকতত লিখিছিলে। তেখেতে ধৰিব নোৱাৰাত ক'লো যে জ্যোতিদেৱ গোস্বামী কিছুদিনৰ আগতে হুবলিতো আছিল। লগে লগে ধৰিব পাৰি ক'লে "অ' আপুনি আমাৰ JD চাৰৰ কথা কৈছে।" ইংৰাজী অদ্যাক্ষৰেৰে মানুহক মতাৰ প্ৰথা দক্ষিণৰ সকলোতে আছে বুলিব পাৰি। ইয়াতো আমি কিছুমান বিখ্যাত মানুহৰ কথা কওতে কেৱল আগৰ আখৰ কেইটাহে ব্যৱহাৰ কৰো। উদাহৰণ স্বৰূপে মাইচুৰৰ এসময়ৰ শ্ৰেষ্ঠ শৈল্যচিকিৎসকজনক চহৰৰ সকলোৱে CGN বুলিয়েই জানে। কোনোবাই তেখেতৰ কথা ড. নৰসিম্হন্ বুলি ক'লে মই সহজে ধৰিব নোৱাৰিম।

সি যি কি নহওক, JD চাৰৰ কথা কৈছো বুলি গম পোৱাৰ পিছত তেখেতৰ প্ৰশংসাত একেবাৰে পঞ্চমুখ হৈ পৰিল। লগে লগে মোৰ খাতিৰো বাঢ়িল আৰু তেখেতে মোৰ সকলো কথাৰ খবৰ ৰাখিলে। মানুহজনে এনে ধৰণৰ আচৰণ কৰিলে যেন মোৰ ৰক্ষণাবেক্ষণৰ ভাৰ কেতিয়াবাই JD চাৰে দি থৈছে। মোৰ হাতত খোৱাবস্তু আছিল যদিও তেওঁলোকক বিদায় দিবলৈ অহা মানুহে দি থৈ যোৱা চিকেন বিৰিয়ানি মোক জোৰ কৰি খুৱালে। মাজে মাজে ফোনত কথা পাতোতে কোৱা শুনিছিলো যে JD চাৰৰ আপোন মানুহ এগৰাকী তেওঁলোকৰ সহযাত্ৰী। আমি অহা ট্ৰেইনখন সেই সময়ত পুৱা ৪-৩০ বজাতে মাইচুৰ পোৱাৰ সময় – এতিয়া অৱশ্যে কিছু দেৰী হয়। এলাৰ্মৰ ব্যৱস্থা আছিল যদিও সাৰ নাপাও বুলি চিন্তা এটা লাগি আছিল। কিবা প্ৰসংগত সেই কথা ওলোৱাত তেখেতে মোক নিশ্চিন্তে থাকিবলৈ কৈ এ'চি ক'চৰ সহায়কাৰী লৰাটোক মোক জগাই মাইচুৰত নমাই দিবলৈ নিৰ্দেশ দিলে কাৰণ তেওঁলোক নিজে মোতকৈ আগতেই হাছানত নমাৰ কথা। সিমানতেই ক্ষান্ত নাথাকি মাইচুৰৰ ষ্টেছন মাষ্টাৰলৈ ফোন কৰি ক'লে যে এ'চি টু টিয়েৰ ক'চৰ এক নম্বৰ বাৰ্থত থকা মহিলাগৰাকী মাইচুৰত নামিব লাগে। কেনেবাকৈ সাৰ নাপালে দিগদাৰী হ'ব – তেখেতে যেন কিবা এটা ব্যৱস্থা কৰে। লগতে এইটোও ক'লে "তেখেতে আমাৰ JD চাৰৰ আপোন"। তেওঁলোক হাছানত নামোতে মই সাৰে থকা বুলি গম পাই নিশ্চিন্তে শুই থাকিবলৈ পৰামৰ্শ দিলে। ট্ৰেইন মাইচুৰ পাওতে মই সাৰে থকাৰ বাবে খৰধৰকৈ নামিলো। গতিকে কোনোবা মোৰ খবৰ ল'বলৈ আহিছিলনে নাই গম নাপালো। এতিয়া মোৰ ভাবিলে বেয়া লাগে যে তেখেতৰ JD চাৰক লগত পালে কবলৈ মানুহজনৰ নামটো একেবাৰে পাহৰি থাকিলো।

কিছুমান সজকামৰ পুনৰাবৃত্তিও ঘটে। মোৰ সম্পৰ্কীয় দাদা এজনে তেওঁৰ সম্পৰ্কীয় ভতিজা এজনক ইঞ্জিনিয়াৰিং পঢ়ুৱাইছিল। কৃতজ্ঞ ল'ৰাজনে পাছ কৰি চাকৰী পোৱাৰ পিছত পঢ়োতে খৰছ হোৱা টকাখিনি ঘুৰাই দিব খুজিছিল। কিন্তু আমাৰ দৰদী দাদায়ে টকাখিনি গ্ৰহণ নকৰি আৰ্থিক অভাৱত পৰিবলৈ অসুবিধা হোৱা কোনোবা ল'ৰা বা ছোৱালীক পঢ়ুৱাবলৈ পৰামৰ্শ দিলে। শুনিবলৈ পাইছো সেই ল'ৰাজনেও সেই কথা মানি কাৰোবাক পঢ়ুৱালে। মই ভাবিছো এই কাম যদি কেইবাটাও প্ৰজন্মলৈকে অব্যাহত চলি থাকে কিমান ভাল কথা হ'ব – এজন মানুহে এটা

ভাল কাম আৰম্ভ কৰাৰ বাবে কিমানবোৰ মানুহ যথাক্ৰমে উপকৃত হ'ব। এখন সমাজৰ দহজন লোকেও তেনে মহৎ কাম কৰিলে সেইখন সমাজ আগবাঢ়ি যোৱাত ভালেখিনি সহায় হ'ব। মই এইক্ষেত্ৰত 'মহৎ' শব্দটো ব্যৱহাৰ কৰাৰ এটা কাৰণ আছে। মই যোৱা ৩৩ বছৰ ধৰি মাইচুৰত বাস কৰিছো। কৰ্ণাটকৰ মানুহে কোনোবাই কাৰোবাক পঢ়ুওৱা কাৰ্য্যক অতি মহৎ কাৰ্য্য বুলি গণ্য কৰে আৰু তেনেলোকক অতি শ্ৰদ্ধাৰ দৃষ্টিৰে চায়। প্ৰতিখন সমাজৰে নিজস্ব সামাজিক মনস্তত্ত্ব (Social Psychology) থাকে। মোৰ এই বিষয়ে বহুত কথা লিখিবলৈ আছে – পৰৱৰ্তী চিঠিত লিখিম।

এইখিনিতে আমেৰিকান লেখক আৰু চিন্তাবিদ নেপ'লিয়ন হিলে কোৱা কথা এষাৰ উল্লেখ কৰিব পাৰি। তেখেত দুজনকৈ মাৰ্কিন ৰাষ্ট্ৰপতি যথাক্ৰমে উদ্ৰ'উইলছন আৰু ফ্ৰেংলিন ৰুজভেল্টৰ উপদেষ্টা আছিল। তেখেতে কৈছিল "If you cannot do great things, do small things in a great way"। মোৰ বোধেৰে তেখেতে সকলোৱে অনুসৰণ কৰিব পৰা কথা কৈছে। ডাঙৰ কাম কৰিবলৈ সকলোৱে সুযোগ বা সুবিধা নাপাবও পাৰে। কিন্তু সৰু সৰু ভাল কাম ইচ্ছা কৰিলেই কৰিব পাৰি।

উদাহৰণ স্বৰূপে পদ্মশ্ৰী যাদব পায়েঙৰ কথাকে ক'ব পাৰি। তেখেতৰ বিষয়ে মই বিশেষ লিখাৰ প্ৰয়োজন নাই – অসমৰ সকলোৱে তেখেতৰ কথা শুনিছে। মই তেখেতৰ বিষয়ে প্ৰথম পঢ়িবলৈ পাইছিলো ইয়াৰ সান্ধ্য বাতৰি কাকত Star of Mysore ত। তেখেতে যোৰহাটৰ ককিলামুখত গছ গছনি নোহোৱা ব্ৰহ্মপুত্ৰৰ বালি এক সেউজীয়া অৰণ্যলৈ ৰূপান্তৰিত কৰিছে। তেখেতে সেই কাম একেদিনাই কৰা নাই – ত্ৰিশ দশক ধৰি দৈনিক কেইটামানকৈ পুলি ৰুই আজিৰ এই অৱস্থা পাইছেহি। তেখেতে এটা সৰু কাম অব্যাহতভাবে দীৰ্ঘদিন ধৰি কৰাৰ ফলত ইমান পৰিবৰ্তন সম্ভৱ হৈছে। আজি পৰিৱেশ সংৰক্ষণৰ বাবে বিশ্বব্যাপী সচেতনতাৰ সৃষ্টি হৈছে। স্কুল, কলেজৰ বাবে পৰিবেশ বিজ্ঞানৰ ওপৰত পাঠ্যক্ৰম তৈয়াৰ কৰা হৈছে। কিন্তু স্কুল, কলেজত পৰিৱেশ বিজ্ঞান নপঢ়াকৈয়ো যে পৰিৱেশ সংৰক্ষণৰ বাবে ইমান ডাঙৰ অৱদান আগবঢ়াব পাৰি সেই কথা যাদৱ পায়েঙে প্ৰমাণ কৰিলে।

এতিয়া আহো আৰম্ভনিতে উল্লেখ কৰা বোলছবিখনৰ কথালৈ যিখন মোৰ মানসিক দ্বন্দ্ব সমাধানৰ সহায়ক হৈছিল। প্ৰখ্যাত বোলছবি নিৰ্দেশক ষ্টিফেন স্পিলবাৰ্গৰ Schindler's List নামৰ বোলছবিখনে ১৯৯৩ চনতেই মুক্তিলাভ কৰিছিল যদিও মই আজি তিনিবছৰ মানৰ আগতেহে চাবলৈ সুযোগ পাইছিলো। এই বোলছবিখন অস্কাৰ শিণ্ডলাৰ নামৰ এজন জাৰ্মান উদ্যোগপতিৰ জীৱনৰ সঁচা কাহিনীৰ ভিত্তিত কৰা হৈছে। মানৱজাতিৰ ইতিহাসত সবাতোকৈ কলংকিত অধ্যায় বুলি অভিহিত হোৱা হিটলাৰৰ শাসনকালৰ সময়ত এই উদ্যোগপতিজনে

পোলেণ্ডত এটা কাৰখানা খুলি বহুতো ইহুদীলোকক নিযুক্তি দিছিল কাৰণ ইহুদীবিলাকৰ শ্ৰমৰ মূল্য আছিল বৰ কম। তেওঁ হিটলাৰৰ নাৎছি পাৰ্টিৰ সভ্যও আছিল। কিন্তু নৃশংস ইহুদীহত্যাৰ ঘটনা দেখি তেওঁৰ হৃদয়ৰ পৰিবৰ্তন ঘটিল আৰু অন্ততঃ নিজৰ কৰ্মচাৰীসকলক কেনেকৈ সেই নৰমেধৰ পৰা বচাব পাৰি চিন্তা কৰিলে। তেওঁ নিজৰ কৰ্মচাৰীৰ লগতে আৰু দুই এক ইহুদীক লৈ এখন তালিকা প্ৰস্তুত কৰিলে আৰু কৰ্তৃপক্ষৰ ওচৰত সাব্যস্ত কৰিলে যে সেই মানুহখিনি তেওঁৰ নতুনকৈ খুলিবলগীয়া কাৰখানাত প্ৰয়োজন হ'ব। তাৰ বাবে তেওঁ নাৎছি বিষয়াসকলক বাৰে বাৰে বুজন পৰিমাণৰ ধন উৎকোচ হিচাবে দিবলগীয়া হৈছিল আৰু তাৰ ফলত তেওঁ সৰ্বস্বান্ত হৈছিল। নাৎছি পাৰ্টিৰ সভ্য হৈয়ো ইহুদীসকলক বচাবলৈ কৰা প্ৰচেষ্টাৰ বাবে তেওঁৰ প্ৰাণলৈকো শংকা আছিল। সি যি কি নহওক, নানান বিঘিনি নেওচি তেওঁ এহেজাৰতকৈয়ো অধিক ইহুদীক বচাবলৈ সক্ষম হৈছিল। দ্বিতীয় মহাযুদ্ধৰ সমাপ্তিৰ পিছত শত্ৰুপক্ষৰ পৰা সাৰিবলৈ তেওঁ পলাই গৈছিল। বিদায়ৰ সময়ত তেওঁৰ বাবে বাচি যোৱা ইহুদীসকল আৱেগ বিহ্বল হৈ পৰে। তেওঁক দিবলৈ এই মানুহখিনিৰ হাতত একো নাই। তাৰে এজন ইহুদীৰ দাঁত সোনেৰে বন্ধোৱা আছিল। সেই দাঁত ভাঙি সেই সোনেৰে এটা আঙঠি তৈয়াৰ কৰি তাত তালমুদ (ইহুদীসকলৰ শাস্ত্ৰ)ত থকা এষাৰ কথা "যি এজন মানুহৰ প্ৰাণ বচায়, তেওঁ গোটেই পৃথিৱীখনকে বচায়" খোদিত কৰি শিণ্ডলাৰৰ আঙুলিত পিন্ধাই দিছিল। তেতিয়া শিণ্ডলাৰে আক্ষেপ কৰি কৈছিল তেওঁ আৰু বহুত কৰিব পাৰিলোহেতেন কিন্তু নকৰিলে।

তালমুদৰ কথাষাৰ কিমান তাৎপৰ্য্যপূৰ্ণ! তেওঁৰ মৃত্যুৰ সময়ত অৰ্থাৎ ১৯৭৪ চনত তেওঁ প্ৰাণ ৰক্ষা কৰা এহেজাৰজন ইহুদীৰ সংখ্যা বাঢ়ি ছহেজাৰতকৈয়ো অধিক হৈছিল। হিটলাৰে কেইবা নিযুত ইহুদীৰ হত্যা কৰিছিল – তাৰ তুলনাত এহেজাৰ নিচেই নগণ্য। কিন্তু সাতটা দশকৰ পিছত এতিয়া নিশ্চয় সেই এহেজাৰ ২০/২৫ হাজাৰ হৈছে। আন কথাত ক'বলৈ গ'লে আজি ২০/২৫ হাজাৰ ইহুদীৰ অস্তিত্বৰ মূলতে আছে এজন দৰদী হৃদয়ৰ বিৱেক থকা ব্যক্তিৰ সৎসাহস।

মনে প্ৰাণে বিশ্বাস কৰো যে ভাৰতবৰ্ষৰ ১২০ কোটিতকৈয়ো অধিক লোকৰ মাত্ৰ এক কোটি মানুহেও যদি দৈনিক একো একোটা সৰু সৰু ভাল কাম কৰিব পাৰে আমাৰ দেশৰ আমূল পৰিবৰ্তন হ'ব। মই এতিয়া বিশ্বাস কৰো যে সজ কামৰ কোনো সৰুবৰ নাই আৰু টাটা, বিৰলাৰ দৰে ধন নাথাকিলেও সজ কাম কৰিব পাৰি। কেৱল প্ৰয়োজন হয় অস্কাৰ শিণ্ডলাৰৰ সৎসাহস আৰু যাদৱ পায়েঙৰ একাগ্ৰতা আৰু দূৰদৃষ্টি।